# মৰাণ জাতীয় গণ মঞ্চৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন

## ■ ছয় শতাধিক লোকে যোগ দিলে জাতীয় গণ মঞ্চত




**বৰডুমচা ঃ** নিজা প্ৰতিবেদক, ৮ ছেপ্টেম্বৰ ঃ ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ একমাত্ৰ ৰাজনৈতিক সংগঠন 'জাতীয় গণ মঞ্চ'ৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হৈ যায়। তিনিচুকীয়া জিলাখনৰ মৰাণ অধ্যুষিত বৰডুমচা বালিজানস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত প্ৰতিষ্ঠা দিৱসত অংশ ল'লে জনগোষ্ঠীটোৰ সহস্ৰাধিক জনতাই। উল্লেখযোগ্য যে ২০২০ বৰ্ষতে অসম চৰকাৰে স্ব-শাসনৰ বাবে প্ৰদান কৰে মৰাণ স্বায়ত্ত শাসিত পৰিষদ জাতীয় গণ মঞ্চই প্ৰথম পৰ্যায়ত লোক সভা, বিধানসভা কিম্বা পঞ্চায়ত নিৰ্বাচনত অংশ নোলোৱাৰ বিপৰীতে কেৱল স্বায়ত্তশাসিত পৰিষদত নিৰ্বাচনত অংশ লোৱাৰ উদ্দেশ্যে মৰাণ জনগোষ্ঠীয় কেউটা জাতীয় সংগঠনৰ ঔৰসত জন্ম লাভ কৰা জাতীয় গণ মঞ্চই ৭ ছেপ্টেম্বৰত এবছৰ সম্পূৰ্ণ কৰে। প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত একেলগে সংগবদ্ধ হোৱা মৰাণ জনগণে জাতীয় গণ মঞ্চৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আনুষ্ঠানিক মঞ্চৰ পৰা জাতীয় গণ মঞ্চ জিন্দাবাদ, মৰাণ ঐক্য জিন্দাবাদ ধ্বনি প্ৰদানেৰে চৰকাৰক শীঘ্ৰেই মৰাণ স্বায়ত্ত পৰিষদৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী তোলে। প্ৰতিষ্ঠা দিৱসত জাতীয় গণ মঞ্চৰ যোগেদি মৰাণৰ কেউটা সংগঠনে সমূহীয়াভাৱে অধিকাৰ, সুৰক্ষা আৰু উন্নয়নৰ শ্ল'গানেৰে এটা ঐক্যবদ্ধ খিলঞ্জীয়া জনগোষ্ঠী হিচাপে অধিক ৰূপত সংকল্পবদ্ধ হয়। প্ৰতিষ্ঠা দিৱসত মঞ্চৰ অধীনৰ তিনিচুকীয়া জিলা আৰু উজনি অসমৰ বহু অঞ্চলত বাস কৰা মৰাণ জনগোষ্ঠী অধ্যুষিত এলেকাক লৈ গঠিত ৩০খন সমষ্টিৰ পৰা চৰকাৰী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী,বুদ্ধিজীৱী,ছাত্ৰ নেতা,অন্য ৰাজনৈতিক নেতাকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ছয় শতাধিক লোকে আনুষ্ঠানিকভাৱে জাতীয় গণ মঞ্চত যোগদান কৰে। বালিজান ৰাজহুৱা ৰংগমঞ্চত আয়োজিত প্ৰতিষ্ঠা দিৱসত জাতীয় গণ মঞ্চৰ সভাপতি হিৰণ্য কুমাৰ দহোটীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ মুখ্য উপদেষ্টা থুলেশ্বৰ চেতিয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে গণ মঞ্চৰ উপদেষ্টা প্ৰদীপ মৰাণে। সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণ, গণ মঞ্চৰ কাৰ্যকৰী সভাপতি ইলেশ্বৰ চেতিয়া, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্ভেশ্বৰ মৰাণ, সম্পাদিকা ৰুণু চাওৰক, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, মৰাণ কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ, অসম মৰাণ সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে সোমেশ্বৰ মৰাণ, দুলাল মৰাণ, উপদেষ্টা সুমন মৰাণ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সদস্য মোহন মৰাণ, জাতীয় গণ মঞ্চৰ উপদেষ্টা প্ৰিয়লতা মৰাণ, মৰাণ সভাৰ প্ৰাক্তন সভাপতি ৰাজীৱ বড়া আদি জনগোষ্ঠীটোৰ বহুকেইগৰাকী নেতৃত্বধাৰী বিষয়ববীয়াই। মুকলি সভাৰ মাজতে সভাস্থলীৰ সন্মুখৰ খেলপথাৰত জনগোষ্ঠীটোৰ দুই হাজাৰোধিক মহিলাই জাতীয় গণ মঞ্চৰ লক্ষ্যপ্ৰাপ্তিৰ আশীৰ্বাদস্বৰূপে খেৰি পৰিৱেশন কৰে। ইয়াৰ উপৰি সভাৰ মাজতে মাজতে ডুমডুমা বীৰ ৰাঘৱ মৰাণ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মৰাণ লগ বিহু প্ৰদৰ্শন কৰে। উক্ত কাৰ্যসূচীসমূহৰ পূৰ্বে পুৰা মৰাণ জনগোষ্ঠীৰ কেইবা শতাধিক মহিলাই ফিল'বাৰী গাভৰুভেটিস্থিত শিল্পী জুবিনৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি সভাস্থলীলৈ স্কুটী ৰেলী বাহিৰ কৰে। তাৰ পাছতে মৰাণৰ ধৰ্মীয় গায়ন-বায়নেৰে জাতীয় গণ মঞ্চৰ সভাপতি হিৰণ্য কুমাৰ নাথক সভাগৃহলৈ আদৰি আনে আৰু পাতাকা উত্তোলন কাৰ্যসূচী সমাপন কৰে। ইয়াৰ পাছতে জনগোষ্ঠীটোৰ উপৰিপুৰুষৰ বেদীত বন্তি প্ৰজ্বলনৰ শুভাৰম্ভ কৰে গণ মঞ্চৰ সাধাৰণ সম্পাদক ভুলেন বৰুৱাই। গছপুলি ৰোপণ কৰে চিকৰাজান জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বৈদ্য নাথ বড়াই।

## মাৰ্ঘেৰিটাত চোৰাং কয়লা ব্যৱসায়ীৰ অতপালি

**লেখাপানী ঃ** নিজা প্ৰতিবেদক, ৮ ছেপ্টেম্বৰ ঃ মাৰ্ঘেৰিটা সম জিলাত দিনক দিনে চোৰাং কয়লা বেপাৰীৰ অতপালিয়ে সীমা চেৰাই গৈছে। চোৰাং কয়লা সৰবৰাহৰ নামত এইসকলে জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। চোৰাং কয়লা বেপাৰীয়ে চোৰাং কয়লা সৰবৰাহৰ নামত কালি নিশাৰ পৰা আজি দুপৰীয়ালৈ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথ এটা সম্পূৰ্ণ ৰূপে অৱৰোধ কৰি ৰাখে । যাৰ ফলত লিডু বৰগোলাই সীমাত অৱস্থিত বাঁহবাৰী গাঁওখনৰ সৈতে কালি নিশাৰ পৰা আজি দুপৰীয়ালৈ সেই পথেৰে যান-বাহনৰ যাতায়াত সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰে। এই ঘটনাটো সংঘটিত হয় মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰগোলাই ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ পেভিলিয়নৰ কাষৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটোত । যাৰবাবে যান-বাহনত যাতায়াত কৰা গাঁওখনৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰী, অভিভাৱক, কৰ্মচাৰীসকলে নাজানি সেই স্থানলৈ আহি পুনৰ সেই পথৰ পৰা উভতি দুগুণ দূৰত্বৰ পথেৰে গন্তব্য স্থানলৈ যাব লগীয়া হৈছিল। বৰগোলাই ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পৰ পেভিলিয়নৰ কাষতে থকা কয়লা ডিপো এটাৰ পৰা এন এল চি ২ কিউ-৫৭৫৭ পঞ্জীয়ন নম্বৰৰ ট্ৰাক খনেৰে অত্যধিক বোজাই কৰি চোৰাং কয়লা নিবলৈ লওঁতেই ট্ৰাকখনৰ পাছৰ চকা বোকাত আবদ্ধ হৈ পৰাত বৃহৎ আকাৰৰ ট্ৰাকখনে সম্পূৰ্ণ পথটোৰ অংশছোৱা আবদ্ধ কৰি দিয়ে। আৰু অতি বেপৰুৱাভাৱে কয়লা ডিপোটোৰ পৰা চোৰাং কয়লা সৰবৰাহ কৰা চক্ৰটোৱে একো ব্যৱস্থা নকৰি তেনেকৈ দীৰ্ঘ সময় পথটো আবদ্ধ কৰি ৰখা ব্যৱস্থাই সকলোকে ভবাই তোলাৰ লগতে ক্ষুব্ধ কৰি তুলিছিল । বিভাগীয় কৰ্তৃপক্ষই চোৰাং কয়লা কাৰবাৰীৰ সৈতে থকা সনা-পোটোকাৰ বাবেই এয়া সম্ভৱ হোৱাৰ লগতে নিজস্বতা হেৰুৱাইছে ক'ল কৰ্তৃপক্ষ, আৰক্ষীকে ধৰি প্ৰশাসন যন্ত্ৰই । ফলত চোৰাং কয়লা বোজাই যুক্ত বৃহৎ আকাৰৰ ট্ৰাক এখনে দীৰ্ঘ সময়ৰ বাবে পথটো আবদ্ধ কৰি ৰখা দৃশ্য ৰাষ্ট্ৰীয় ঘাইপথটোৰ পৰা দৃষ্টিগোচৰ হৈ থকা সত্ত্বেও সকলো পক্ষই নেদেখাৰ ভাও ধৰি মৌনতা অৱলম্বন কৰা পৰিলক্ষিত হৈছিল।

## শদিয়াত ড্ৰাগ্‌ছসহ এজনক আটক

**শদিয়া ঃ** নিজা প্ৰতিবেদক, ৮ ছেপ্টেম্বৰ ঃ শদিয়া আৰক্ষীয়ে আজি চপাখোৱাত অভিযান চলাই নিষিদ্ধ ড্ৰাগ্‌ছসহ এটা সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে সদৰী কৰা মতে, গোপন সূত্ৰৰ পম খেদি শদিয়া আৰক্ষীৰ এটা দলে আজি চপাখোৱাৰ হস্পিটেল চাৰিআলিত অভিযান চলাই প্ৰায় ২৯.৯০ গ্ৰাম ওজনৰ নিষিদ্ধ ড্ৰাগ্‌ছৰ সৈতে শদিয়াৰ শান্তিপুৰৰ থমাছ পাৰ নামৰ ২৮ বছৰীয়া এজন যুৱকক কৰায়ত্ত কৰিবলৈ সক্ষম হয় । লগতে আৰক্ষীয়ে এখন মটৰ চাইকেল আৰু এটা ম'বাইল ড্ৰাগ্‌ছ সৰবৰাহকাৰীটোৰ পৰা জব্দ কৰিছে। বৰ্তমান শদিয়া আৰক্ষীৰ জিম্মাত আছে ধৃত সৰবৰাহকাৰীটো।

## চিকনী চাহ বাগিচাত তিনি মাহে তলা বন্ধ

**খোৱাং ঃ** নিজা প্ৰতিবেদক, ৮ ছেপ্টেম্বৰ ঃ কলিয়াবৰ মহকুমাৰ অন্তৰ্গত চিকনী চাহ বাগিচা শ্ৰমিক আৰু মালিক পক্ষৰ বহু দিনীয়া সংঘাতৰ বাবে যোৱা ৯ জুনৰ পৰাই মালিক পক্ষই 'তলা বন্ধ' ঘোষণা কৰাৰ পৰা তিনি মাহে মালিক পক্ষই 'তলা বন্ধ' প্ৰত্যাহাৰ কৰা নাই। যাৰ ফলত উপায়ুক্ত আৰু সহকাৰী শ্ৰম আয়ুক্তৰ যুটীয়া তত্ত্বাৱধানত এখন ১৯ জনীয়া পৰিচালনা সমিতি গঠন কৰি এজেণ্টৰ যোগেদি কেঁচা পাত বিক্ৰী কৰি শ্ৰমিকক দৰমহা দি চলাই থকা হৈছে বুলি মজদুৰ আদিবাসী কংগ্ৰেছ বিভাগৰ অধ্যক্ষ তথা ইনটাক ৰাজ্যিক সমিতিৰ উপ-সভাপতি এতোৱা মুণ্ডাই জানিবলৈ দিছে। উল্লেখযোগ্য যে যোৱা ৬ ছেপ্টেম্বৰত উপ-সভাপতি এতোৱা মুণ্ডাৰ নেতৃত্বত এটা সঁজাতী দলে তলা বন্ধ হৈ থকা চিকনী চাহ বাগিচাত উপস্থিত হৈ বাগিচা শ্ৰমিক ৰাইজৰ খা-খবৰ লোৱাৰ লগতে অহা ১৬ ছেপ্টেম্বৰত বাগিচাখন নিলাম হোৱাৰ পাছত বাগিচাখনৰ দায়িত্বভাৰ গ্ৰহণ কৰিব লগা যিকোনো মালিক পক্ষৰ লগত শ্ৰমিক ৰাইজৰ লগত সু-সম্পৰ্ক গঢ়ি উঠাৰ লগতে ভাল দিন আহিব বুলি আশা প্ৰকাশ কৰে। সঁজাতী দলটোত চাহ মজদুৰ আদিবাসী কংগ্ৰেছ বিভাগৰ অধ্যক্ষ তথা ইনটাকৰ ৰাজ্যিক উপ-সভাপতি এতোৱা মুণ্ডা, চৰাইদেউ জিলাৰ সম্পাদক অলেশ্বৰ কোঁৱৰ, ডিব্ৰুগড় জিলাৰ সম্পাদক নমি ঘাটোৱাৰ, ইনটাক ৰাজ্যিক সমিতিৰ তিনিচুকীয়াৰ সম্পাদক ৰঞ্জিত বাউৰী আৰু কাজিৰঙা কঁহৰাৰ নিতুল বাউৰী উপস্থিত থাকে।

## ডিগবৈ বাপাপুং পাণবাৰী এম ই স্কুলত নিশা চুৰি

**ডিগবৈ ঃ** নিজা সংবাদদাতা, ৮ ছেপ্টেম্বৰ ঃ ডিগবৈ সম জিলা প্ৰশাসনৰ অবিবেচকী সিদ্ধান্তৰ ফলত এখন চৰকাৰী বিদ্যালয়ত নিশা চোৰে নিৰ্ভয়ে চলালে অভিযান। ডিগবৈ বাপাপুং পাণবাৰী এম ই স্কুলৰ নৈশ চকীদাৰজনক ডিগবৈ সম জিলা কাৰ্যালয়ত কাম কৰিবলৈ নিযুক্ত কৰাৰ দুদিনমানৰ পাছতেই যোৱা নিশা বিদ্যালয়খনত চোৰ সোমাই লণ্ড ভণ্ড কৰি বহু মূল্যৱান সামগ্ৰী লৈ যায়। শেহতীয়াকৈ, ডিগবৈ তথা পাৰ্শ্ববৰ্তী এলেকাসমূহত চোৰৰ উপদ্ৰৱে স্থানীয় জনসাধাৰণৰ নিদ্ৰাহৰণ কৰি তুলিছে। ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এলেকাসমূহত চোৰৰ টিঘিল ঘিলনিয়ে জনসাধাৰণৰ মূৰৰ কামোৰণি সৃষ্টি কৰিছে। বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান, নামঘৰ , বিদ্যালয়ত সুবিধা বুজি চোৰে নিৰ্ভয়ে অভিযান চলাই অহাৰ পাছতো চোৰ আটক কৰিবলৈ সক্ষম হোৱা নাই ডিগবৈ আৰক্ষী। ডিগবৈ আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ নৈশ টহলদাৰী ব্যৱস্থা থকাৰ পাছতো কালি নিশাৰ ভাগত ডিগবৈ বাপাপুং পাণবাৰী এম ই স্কুলত চোৰে এটা অণুবীক্ষণ যন্ত্ৰ লৈ উধাও হোৱাৰ লগতে বিদ্যালয়খনৰ বিভিন্ন আচবাব লণ্ড ভণ্ড কৰি যায়। পূৰ্বতেও বিদ্যালয় খনত চুৰি সংঘটিত হোৱাৰ উদাহৰণ আছে। তদুপৰি কিছুদিন পূৰ্বে চোৰে বিদ্যালয় খনৰ চকী টেবুল ভঙাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পাঠদানত ব্যৱহৃত বহু সামগ্ৰী নষ্ট কৰি থৈ গৈছিল। কালি নিশা পুনৰ এনে চুৰি হোৱাৰ পাছত বিদ্যালয় কৰ্তৃপক্ষই ঘটনাৰ সন্দৰ্ভত ডিগবৈ আৰক্ষীক অৱগত কৰে। বিদ্যালয়খনৰ নৈশ চকীদাৰগৰাকী বৰ্তমান টিংৰাইস্থিত ডিগবৈ সম জিলা আয়ুক্তৰ কাৰ্যালয়ত কৰ্তব্যৰত বুলি জানিব পৰা গৈছে। বিদ্যালয়ত নিযুক্তিপ্ৰাপ্ত নৈশ চকীদাৰ গৰাকীক প্ৰশাসনিক ক্ষমতাৰে ডিগবৈ সম জিলা আয়ুক্তৰ কাৰ্যালয়ত ডিউটি কৰিবলৈ বাধ্য কৰোৱা হৈছে নেকি বুলি এক সৰৰ চৰ্চা হৈছে। বিগত কিছুদিন ধৰি ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত তথা ঐতিহাসিক নগৰখনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ চাৰিআলি বজাৰস্থিত ডিগবৈ চাৰিআলি বাসুদেৱ নামঘৰ প্ৰাংগণৰ পৰা দিন-দুপৰতে এখন চাইকেল চুৰি হোৱাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছিল। তদুপৰি নগৰখনৰ চানচিটি হোটেলৰ সন্মুখৰ পৰা চাইকেল চুৰি, ডিগবৈ মুলীয়াবাৰী বিহুতলী সমীপৰ ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰি কাৰ্যৰ লগতে নগৰখনৰ সম্ভ্ৰান্ত পৰিয়ালৰ বহু বাসগৃহৰ পৰা এয়াৰ কণ্ডিশ্যনত ব্যৱহৃত তামৰ তাঁৰ পাইপ সঘনাই চুৰি হৈ থকা বুলি জানিব পৰা গৈছে।

## ডুমডুমা মহাবিদ্যালয়ত ১১ ছেপ্টেম্বৰৰ পৰা গ্ৰন্থমেলা

**ডুমডুমা ঃ** নিজা বাতৰি দিওঁতা, ৮ ছেপ্টেম্বৰ ঃ ডুমডুমা মহাবিদ্যালয়ৰ উদ্যোগত আৰু 'সতীৰ্থ জ্ঞান যাত্ৰা'ৰ সহযোগত অহা ১১ ছেপ্টেম্বৰৰ পৰা ১৫ ছেপ্টেম্বৰলৈ পাঁচদিনীয়া এক গ্ৰন্থমেলাৰ আয়োজন কৰিছে। বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ তথা সাহিত্যানুৰাগী ৰাইজৰ বাবে আয়োজন কৰা এই গ্ৰন্থমেলাখন মহাবিদ্যালয়ৰ কল্লোল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি প্ৰতিদিনেই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়ে মহাবিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দি গ্ৰন্থমেলাখনত সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে ।

**প্ৰ-পত্ৰ ক**

**ৰাজহুৱা ঘোষণা**

[ভাৰতীয় পৰিশোধ অক্ষমতা আৰু দেউলীয়া ব'ৰ্ডৰ অধিনিয়ম, ২০১৬-ৰ ৬ নং বিধিৰ অধীনত (কৰ্পৰেট ব্যক্তিৰ বাবে দেৱলীয়া সমাধান প্ৰক্ৰিয়া)]

**গাৰ্গ মটৰ্ছৰ ঋণদাতাসকলৰ মনোযোগৰ বাবে**

**প্ৰাসংগিক বিৱৰণ**

| | | |
|---|---|---|
| ১ | **কৰ্পৰেট ঋণী** | **গাৰ্গ মটৰ্ছ লিমিটেড** |
| ২ | কৰ্পৰেট ঋণী অন্তৰ্ভুক্তিৰ তাৰিখ | ০২/০৬/১৯৯৭ |
| ৩ | কৰ্পৰেট ঋণীক অন্তৰ্ভুক্তি/পঞ্জীয়ন কৰা কৰ্তৃপক্ষ | কোম্পানী পঞ্জীয়ক, গুৱাহাটী |
| ৪ | কৰ্পৰেট ঋণীৰ কৰ্পৰেট পৰিচয় নং | U50101AS1997PLC005081 |
| ৫ | কৰ্পৰেট ঋণীৰ পঞ্জীয়নভুক্ত কাৰ্যালয় আৰু প্ৰধান কাৰ্যালয় (যদি আছে)ৰ ঠিকনা | এ.টি. ৰোড, হিজুগুৰি, তিনিচুকীয়া, অসম, ভাৰত, ৭৮৬১২৫ |
| ৬ | কৰ্পৰেট ঋণীৰ ক্ষেত্ৰত দেৱলীয়া আৰম্ভ হোৱাৰ তাৰিখ | **০৩/০৯/২০২৬** (০৭/০৯/২০২৬ তাৰিখে পোৱা মেইল) |
| ৭ | দেৱলীয়া সমাধান প্ৰক্ৰিয়া বন্ধ হোৱাৰ আনুমানিক তাৰিখ | ০৬/০৩/২০২৭ |
| ৮ | অন্তৰ্বৰ্তীকালীন সমাধান পেছাদাৰী হিচাপে কাম কৰা দেৱলীয়া পেছাদাৰীৰ নাম আৰু পঞ্জীয়ন নম্বৰ | **অশোক কুমাৰ আগৰৱালা** প. নং ঃ IBBI/IPA-001/IP-P01763/2019-2020/12755 এএফএ বৈধ ঃ ৩১/১২/২০২৬ লৈকে |
| ৯ | অন্তৰ্বৰ্তীকালীন সমাধান পেছাদাৰীৰ ঠিকনা আৰু ইমেইল, ব'ৰ্ডৰ সৈতে পঞ্জীয়ন কৰা ধৰণে | সৰস্বতী পেলেচ, ঘৰ নং ৪/৫, ড° বি চি দাস লেন, এফ.এ. ৰোড, কুমাৰ পাৰা, গুৱাহাটী-৭৮১০০১ ইমেইলঃ iip.jyotiashok@gmail.com |
| ১০ | অন্তৰ্বৰ্তীকালীন সমাধান পেছাদাৰীৰ সৈতে চিঠিপত্ৰৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ঠিকনা আৰু ই-মেইল | সৰস্বতী পেলেচ, ঘৰ নং ৪/৫, ড° বি চি দাস লেন, এফ.এ. ৰোড, কুমাৰ পাৰা, গুৱাহাটী-৭৮১০০১ ইমেইল ঃ cirp.gargomotors@gmail.com |
| ১১ | দাবী দাখিলৰ শেষ তাৰিখ | **২১/০৯/২০২৬** |
| ১২ | ধাৰা ২১ৰ উপ-ধাৰা (৬ক)ৰ দফা (খ)ৰ অধীনত, যদি আছে, পাওনাদাৰৰ শ্ৰেণীসমূহ, অন্তৰ্বৰ্তীকালীন দেৱলীয়া পেছাদাৰীয়ে নিৰ্ণয় কৰা | প্ৰযোজ্য নহয় |
| ১৩ | এটা শ্ৰেণীত পাওনাদাৰৰ অনুমোদিত প্ৰতিনিধি হিচাপে কাম কৰিবলৈ চিনাক্ত কৰা দেৱলীয়া পেছাদাৰীসকলৰ নাম (প্ৰতিটো শ্ৰেণীৰ বাবে তিনিটা নাম) | প্ৰযোজ্য নহয় |
| ১৪ | (ক) প্ৰাসংগিক প্ৰপত্ৰ আৰু... (খ) অনুমোদিত প্ৰতিনিধিৰ সবিশেষ উপলব্ধতা | (ক) প্ৰাসংগিক প্ৰ-পত্ৰ https: //ibbi.gov.in//en/home/ downloads ৰ পৰা ডাউনলোড কৰিব পাৰিব (খ) প্ৰযোজ্য নহয় |

ইয়াৰ দ্বাৰা জাননী দিয়া হৈছে যে ৰাষ্ট্ৰীয় কোম্পানী আইন ন্যায়াধিকৰণে গাৰ্গ মটৰ্ছ লিমিটেডৰ কৰ্পৰেট দেৱলীয়া সমাধান প্ৰক্ৰিয়া ০৩/০৯/২০২৬ তাৰিখে আৰম্ভ কৰাৰ নিৰ্দেশ দিছে (০৭/০৯/২০২৬ তাৰিখে নিযুক্তিৰ সন্দৰ্ভত লাভ কৰা ০৩/০৯/২০২৬ ইমেইলৰ আদেশ)।

গাৰ্গো মটৰ্ছ লিমিটেডৰ পাওনাদাৰসকলক ইয়াৰ দ্বাৰা ২১/০৯/২০২৬ তাৰিখ বা তাৰ আগতে নিজৰ দাবীসমূহ প্ৰমাণৰ সৈতে ১০ নং প্ৰৱেশৰ বিপৰীতে উল্লেখ কৰা ঠিকনাত অন্তৰ্বৰ্তীকালীন সমাধান পেছাদাৰীক দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

বিত্তীয় পাওনাদাৰসকলে কেৱল বৈদ্যুতিন মাধ্যমেৰে প্ৰমাণৰ সৈতে তেওঁলোকৰ দাবী দাখিল কৰিব লাগিব। আন সকলো পাওনাদাৰে ব্যক্তিগতভাৱে, ডাকযোগে বা বৈদ্যুতিন মাধ্যমেৰে প্ৰমাণৰ সৈতে দাবীসমূহ দাখিল কৰিব পাৰে।

১২ নং প্ৰৱেশৰ বিপৰীতে তালিকাভুক্ত কৰা কোনো শ্ৰেণীৰ অন্তৰ্গত এজন বিত্তীয় পাওনাদাৰে ১৩ নং প্ৰৱেশৰ বিৰুদ্ধে তালিকাভুক্ত তিনিজন দেৱলীয়া পেছাদাৰীৰ মাজৰ পৰা প্ৰপত্ৰ CA ত শ্ৰেণীটোৰ অনুমোদিত প্ৰতিনিধি হিচাপে কাম কৰিবলৈ অনুমোদিত প্ৰতিনিধিৰ পছন্দৰ ইংগিত দিব লাগিব।

**ভুৱা বা বিভ্ৰান্তিকৰ দাবী দাখিল কৰা প্ৰমাণ হ'লে জৰিমনা ভৰিব লাগিব।**

স্বা/-অশোক কুমাৰ আগৰৱালা
তাৰিখঃ ০৭/০৯/২০২৬ — অন্তৰ্বৰ্তীকালীন দেৱলীয়া পেছাদাৰী, গাৰ্গ মটৰ্ছ লিমিটেড
স্থানঃ গুৱাহাটী — পঃ নং ঃ IBBI/IPA-001/IP-P01763/2019-2020/12755

**E-TENDER NOTICE FOR SALE OF TIMBER LOTS OF 2026-27.**

This is for the general information of all concern that under the provision laid down in the "Assam Sale of Forest Produce, Coupes and Mahals Rules' 1977" and Amendment Rule' 2000, bids are invited through online by the undersigned from Registered Companies/ Firms/ Individuals etc. for the fresh & re-sale of Timber lots of respectively kept in different location within Lakhimpur Division, North Lakhimpur.

The details of E-Tender will be available on **https// www.assamforestonline.in**

Divisional Forest Officer,
Lakhimpur Division,
North Lakhimpur.

*DIPR/C/JMB/444/9-Sep-26*

আপুনি কিবা কাৰণত নিজৰ দাঁত হেৰুৱাব লগীয়া হ'ল নেকি ? খুলিব পৰা দাঁত লগাই শান্তিত আছে নেকি ? এই শান্তি আঁতৰাই **ধুনীয়া ফিক্সড দাঁত** লগাবৰ বাবে যোগাযোগ কৰক
**ডাঃ সুনীতা আগৰৱাল**
(ডেণ্টেল চাৰ্জন আৰু ইমপ্লাণ্টলজিষ্ট)
*২৭ টা বছৰ ধাৰাবাহিকভাৱে উন্নত দন্ত চিকিৎসাতব্ৰতী*
**সুনীতা ডেণ্টেল ক্লিনিক**
জেইল ৰোড (গীতাৰ্থী স্কুলৰ সমীপত), নাজিৰ আলি, যোৰহাট
ফোন ঃ 8638410899, 9435727659

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. IFB/ Bid Identification No. AEGCL/MD/Tech-32/400kV Umrangshu/2026/ IFB, BID Dated: 08.09.2026
2. NIT No.: AEGCL/MD/Tech-32/400kV Umrangshu/2026/NIT Dated: 08.09.2026
3. Name of Work: **"Construction of new 400/132kV Umrangshu Grid Substation along with associated transmission system at Dima Hasao District, Assam"**
4. Cost of Bid documents: **INR. 30,000/-**
5. Tender start date and time: **10.00 hrs of 16.09.2026**

AEGCL hereby invites bids from eligible and interested bidders for the subject tender. Interested bidders may download the bidding documents from AEGCL's website: **www.aegcl.co.in** and e-tender portal **assamtenders.gov.in** with effect from **16.09.2026 at 10:00 Hrs.**

Any other notices/time extension/corrigendum etc. will be published only on AEGCL's websites and e-tender portal. AEGCL reserves the right to accept or reject any or all tenders without assigning any reasons thereof.

**Sd/-, Chief General Manager (PP&D)**
*Assam Electricity Grid Corporation Limited*

T-872/PR/2025/Camp/090


শ্ৰীমন্ত শংকৰদেৱ চিকিৎসালয়
দুৰ্ঘটনাজনিত মূৰৰ আঘাত / ষ্ট্ৰ'ক / ব্ৰেইন টিউমাৰ / স্পাইন চাৰ্জাৰী / জটিল মগজুৰ অস্ত্ৰোপচাৰ আৰু সকলো জৰুৰী নিউৰ' চাৰ্জিকেল সেৱাৰ বাবে জ্যেষ্ঠ অভিজ্ঞ নিউৰ'চাৰ্জন
ডা ° মিনহাজ মমিন
যোগাযোগ কৰক 9365881431
শ্ৰীমন্ত শংকৰদেৱ চিকিৎসালয়
মানকটা পথ, ডিব্ৰুগড়
☎ ০৩৭৩-২৩২৭৭১৭

HM
HOTEL & RESORT
COMFORT MEETS WARM HOSPITALITY
Comfortable stays, delightful dining and memorable celebrations
ALL IN ONE DESTINATION




+91 70990 15333
Natungaon, Maijan Road, Dibrugarh, Assam - 786002

Gattani CHAUKHAT/WPC
www.gattaniplywood.com
Find us:
ডব্লিউ পি চি
প্লাই/চৌকাঠ/দুৱাৰ
১। ঘূণ আৰু উঁইৰ পৰা সুৰক্ষিত
২। ৱাটাৰ প্ৰুফ
৩। অগ্নি প্ৰতিৰোধী
৪। ব্যৱহাৰৰ বাবে সাজু
৫। সৰ্বশ্ৰেষ্ঠ পুনৰ বিক্ৰী মান
৬। ক'লা আৰু চেগুণৰ ৰঙত উপলব্ধ
৭। এই চৌকাঠ কাঠৰ দুৱাৰৰ লগতো ব্যৱহাৰ কৰিব পাৰিব
৮। উচ্চ স্ক্ৰু ধাৰণ ক্ষমতা
৯। গ্ৰাহকে বিচাৰ ধৰণে আকাৰ উপলব্ধ




গাট্টানি লেমিনেট ইণ্ডাষ্ট্ৰীজ
চিনামৰা, মৰিয়নি ৰোড, যোৰহাট-৭৮৫০০৮, অসম
ফোন নং ঃ ৮১৩৪৯৫৪৫৫৮

Government of Assam
**Office of the FISHFED: Assam**
Harabala Path, Rupnagar, Ghy-32
Deptt. of Fisheries

No.FFG218/2023/183/688

**Re-Re-Re-EXPRESSION OF INTEREST**

Re=Re-Re-Expression of Interest are called upon from empanelled Fishery cooperative society under FISHFED for taking one 4 wheeler (Bada Dost, Ashok Leyland) bearing no.AS-01-QC-7605 on rental basis. The details of terms & conditions may be obtained from Head Office of FISHFED, located at Rupnagar, Guwahati-32 on payment of Rs. 500.00 (Rupees Five Hundred) only by demand draft from any Nationalized Bank in favour of Managing Director, FISHFED, Assam. The Re-Re-Re-EoI are to be submitted to the undersigned upto 2:00 PM on 18th September, 2026 along with profile of the party with all supporting documents. The Re-Re-Re-EoI will be opened on same day at 3:00 PM in presence intending applicants or their authorized representative. No Re-Re-Re-EoI will be accepted after stipulated period as mentioned above. The Re-Re-Re-EoI to be submitted in plain paper affixing court fee stamps of Rs. 8.25/-.

Sd/-
Managing Director
FISHFED, Assam

*DIPR/CF/JMB/1511/9-Sep-26*

**NOTICE INVITING E-BID**

Government of Assam
Office of the District Collector, Jorhat District (Excise Branch)
Bid Reference No.: JEX. 13/2026/396

e-Bids are invited from intending and eligible bidders for grant of Assam Made Liquor (AML) Vend license in Jorhat district under rule 114A and 682 of the Assam Excise Rules, 2016 as amended. The base bid (Initial Grant Bid) is Rs.50,000/- (Rupees Fifty Thousand only). A non-refundable Application Fee of Rs.50,000/- (Rupees Fifty Thousand only) per bid and an Earnest Money Deposit (EMD) of Rs.5,00,000/- (Rupees Five Lakh only) per vend, payable through online mode only, shall accompany the bid. The Bid documents can be downloaded from **www.assamtenders.gov.in** from 08/09/2026 (15.00 hours).

- A pre-bid meeting is scheduled on 14/09/2026 at 11.00 hours through Google Meet at the link: **https://meet.google.com/igt-iryg-yah.**
- The last date and time of submission of e-Bid is 29/09/2026 (14.00 hours).
- The Technical Bids will be opened online on the e-Procurement portal on 29/09/2026 (16.00 hours). The date of opening of Financial Bids will be communicated to the technically qualified bidders.

The TIA reserves the right to accept or reject any bid, and to cancel/annul the bidding process and reject all bids at any time prior to grant of license, without assigning any reason thereof.

**Name of the TIA:** District Collector, Jorhat District
**Address of the TIA:** Office of the District Collector, Jorhat
**Phone:** 8474882782 **E-mail:** jorhatexcise8@gmail.com

*DIPR/C/JMB/445/9-Sep-26*

No. NLMB/MTECH/2026-27/120

**PRESS NOTICE INVITING TENDER**

Executive Officer, North Lakhimpur Municipal Board invites sealed tender affixing court fee stamp of Rs. 8.25 from eligible Contractors, registered with APWD Assam or Contractors registered with other State/Central Government Departments for following work under 15th FC tied/untied Basic Grants within North Lakhimpur Municipal Board of Lakhimpur District.

Detail NIT which may be seen at the office of the undersigned during office hours w.e.f. 09-09-2026.

| Sl.No/Group No | Name of Work | Approx Tender Value of work | Cost of Tender documents | Time of completion of work |
|---|---|---|---|---|
| 1 | Construction of Side drain at Nanda Kishore Maheswari Town Daily Market, North Lakhimpur under 15th Finance Commission Untied Basic Grants 2nd inst for the year 2025-26 during the year 2025-26 | Rs. 13,26,903.00 | Rs.300 in shape IPO | 90 days |

Executive Officer,
North Lakhimpur Municipal Board

*DIPR/CF/JMB/1534/9-Sep-26*

**PRESS NOTICE INVITING TENDER (NIT)**

No. NMB/69/2024-25/384

The undersigned, on behalf of the Executive Officer, Narayanpur Municipal Board, Narayanpur, Assam, hereby invites sealed Tenders/Quotations from eligible and up-to-date registered Contractors/Suppliers/Firms for the execution of the following 12 (Twelve) Nos. of works, having an aggregate estimated tender value of ₹93,49,952.00 (Rupees Ninety Three Lakh Forty Nine Thousand Nine Hundred Fifty Two) only, approximately ₹93.50 lakh, under various instalments of the 15th Finance Commission (Tied Grant and Untied Grant) for the financial years 2024-25 and 2025- 26, under the jurisdiction of Narayanpur Municipal Board.

The works broadly include:

- Construction of Open Market Shed;
- Construction of Drinking Water Supply Schemes;
- Construction/Installation of Public Drinking Water Facility Hubs;
- Construction of a Bamboo Protection Wall for Erosion Control at Khulsa Pukhuri; **and**
- Earth Filling Works.

Detailed Tender/Quotation Documents, including the scope of work, eligibility criteria, estimated value, tender paper cost, Earnest Money Deposit (EMD), terms and conditions, and other relevant information, may be obtained/inspected in the Office of the undersigned during office hours from 09/09/2026 to 23/09/2026. Additional details are also available on the official website: **https://sppp.assam.gov.in**

Sd/-
Chairman
Narayanpur Municipal Board

Sd/-
Executive Officer
Narayanpur Municipal Board

*DIPR/CF/JMB/1514/9-Sep-26*

**FRESH/RE-SALE OF LOT STATEMENT SHOWING THE TIMBER LOT UNDER JORHAT FOREST DIVISION**

O.O.No. 308

| | Lot No & Year | Major species | Type of lot (Fresh/Re-sale) | Vol. (in kg) | Govt. Royalty (in Rs.) | Earnest money (in Rs.) | Depot Name/ Laying at |
|---|---|---|---|---|---|---|---|
| Jorhat Forest Division | JT/03 of 2026-27 | Eucalyptus | Resale | 1.696 | 695.36 | 70.00 | Nimati Beat Office |
| | JT/04 of 2026-27 | Kadam, Ajhar, Raintree, Jamuk, Radhasura | Resale | 6.741 | 13418.67 | 1342.00 | |
| | JT/05 of 2026-27 | Arjun, Kanaksura | Resale | 7.422 | 2873.825 | 287.00 | |
| | JT/06 of 2026-27 | Satiana | Resale | 1.418 | 2735.188 | 274.00 | |
| | JT/07 of 2026-27 | Satiana, Simolu, Moj, Raintree | Resale | 2.263 | 4004.27 | 400.00 | |
| | M/06 of 2026-27 | Gomari, Moj, Uriam, Koros, Ghora Neem, Teak | Resale | 6.181 | 27711.53 | 2771.00 | New Sonowal Beat Office |

Bidder intending to participate in this tender are required to visit **https:// www.assamforestonline. in** for further details.

Divisional Forest Officer,
Jorhat Division, Jorhat.

*DIPR/C/JMB/446/9-Sep-26*

**FORM A**

**PUBLIC ANNOUNCEMENT**

(Under Regulation 6 of the Insolvency and Bankruptcy Board of India (Insolvency Resolution Process for Corporate Persons) Regulations, 2016)

FOR THE ATTENTION OF THE CREDITORS OF GARGO MOTORS LIMITED

| **RELEVANT PARTICULARS** | | |
|---|---|---|
| 1. | Name of corporate debtor | GARGO MOTORS LIMITED |
| 2. | Date of incorporation of corporate debtor | 02/06/1997 |
| 3. | Authority under which corporate debtor is incorporated / registered | ROC Guwahati |
| 4. | Corporate Identity No. / ~~Limited Liability Identification No.~~ of corporate debtor | U50101AS1997PLC005081 |
| 5. | Address of the registered office and principal office (if any) of corporate debtor | A.T ROAD, HIJUGURI, TINSUKIA, Assam, India, 786125 |
| 6. | Insolvency commencement date in respect of corporate debtor | 03/09/2026 (mail received on 07/09/2026) |
| 7. | Estimated date of closure of insolvency resolution process | 06.03.2027 |
| 8. | Name and registration number of the insolvency professional acting as interim resolution professional | Name: Ashok Kumar Agarwala<br>Registration No.: IBBI/IPA-001/IP-P01763/2019-2020/12755<br>AFA valid upto: 31.12.2026 |
| 9. | Address and e-mail of the interim resolution professional, as registered with the Board | Address: Saraswati Palace, House No. 4/5, Dr. B. C. Das Lane, F. A. Road, Kumar Para, Guwahati-781001<br>E-mail: iip.jyotiashok@gmail.com |
| 10. | Address and e-mail to be used for correspondence with the interim resolution professional | Address: Saraswati Palace, House No. 4/5, Dr. B. C. Das Lane, F. A. Road, Kumar Para, Guwahati-781001<br>E-mail: cirp.gargomotors@gmail.com |
| 11. | Last date for submission of claims | 21/09/2026 |
| 12. | Classes of creditors, if any, under clause (b) of sub-section (6A) of section 21, ascertained by the interim resolution professional | Not Applicable |
| 13. | Names of Insolvency Professionals identified to act as Authorised Representative of creditors in a class (Three names for each class) | Not Applicable |
| 14. | (a) Relevant Forms and<br>(b) Details of authorized representatives are available at: | a) Relevant forms may be downloaded from https://ibbi.gov.in//en/home/downloads<br>b) NA |

CA ASHOK KUMAR AGARWALA INSOLVENCY PROFESSIONAL IBBI/IPA-001/IP-P01763/2019-2020/12755

Notice is hereby given that the National Company Law Tribunal has ordered the commencement of a corporate insolvency resolution process of the Gargo Motors Limited on 03.09.2026 (order of 03.09.2026 email received regarding appointment on 07.09.2026).

The creditors of Gargo Motors Limited are hereby called upon to submit their claims with proof on or before 21.09.2026 to the interim resolution professional at the address mentioned against entry No. 10.

The financial creditors shall submit their claims with proof by electronic means only. All other creditors may submit the claims with proof in person, by post or by electronic means.

A financial creditor belonging to a class, as listed against the entry No. 12, shall indicate its choice of authorised representative from among the three insolvency professionals listed against entry No.13 to act as authorised representative of the class in Form CA.

**Submission of false or misleading proofs of claim shall attract penalties.**

CA ASHOK KUMAR AGARWALA IBBI/IPA-001/IP-P01753/2019-2020/12755 INSOLVENCY PROFESSIONAL

Date:07.09.2026
Place: Guwahati

Ashok Kumar Agarwala
Interim Resolution Professional of
Gargo Motors Limited